51

তথ্য আৰু জনসংযোগ বিভাগ, অসম, দিশপুৰ

(সংবাদ গবেষণা শাখা)

আমাৰ অসম

27 JUL 2015

বাতৰি কাকতৰ নাম ——— প্ৰকাশকৰ তাৰিখ ———

নাগৰিকপঞ্জীৰ বাবে প্ৰমাণ-পত্ৰ বিচাৰি ৰাইজৰ হাহাকাৰ

# ৰাজ্যৰ ৭খন জিলাৰ ১০,৪৯২খন গাঁৱত নাই গাঁওবুঢ়া

■ আলিয়াছ আহমেদ আৰু সাম্য ভৰদ্বাজ

অবিশ্বাস্য হ'লেও সত্য যে আজিৰ তাৰিখত ৰাজ্যৰ মুঠ ১০,৪৯২খন ৰাজহ গাঁৱত নাই এজনো গাঁওবুঢ়া। ৰাজ্য চৰকাৰৰ কেবিনেটে কিছুমাহ পূৰ্বে খালী থকা গাঁওবুঢ়া পদত নিযুক্তি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল যদিও আজিকোপতি সেই সিদ্ধান্ত সিদ্ধান্ত হৈয়েই থাকিল। ৰাজ্য চৰকাৰৰ হেমাহি আৰু এনে দায়িত্বহীন কৰ্মকাণ্ডৰ বাবেই ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াত দাখিল কৰিবলৈ তথ্য বিচাৰি দহ সহস্ৰাধিক ৫ পৃষ্ঠাত

## ৰাজ্যৰ ৭খন জিলাৰ ১০, ৪৯২খন গাঁৱত নাই গাঁওবুঢ়া

ৰাজহ গাঁৱৰ বাসিন্দাই হাহাকাৰ কৰি ফুৰিবলগীয়া হৈছে। অথচ কাণসাৰ নাই ৰাজ্য চৰকাৰৰ। ৰাজ্য চৰকাৰৰ তথ্য অনুসৰি ৰাজ্যৰ মুঠ ৭খন জিলাৰ এখনো ৰাজহ গাঁৱত নিযুক্তি দিয়া হোৱা গাঁওবুঢ়া। ফলত দীৰ্ঘদিন ধৰি কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি, ধুবুৰী, গোৱালপাৰা, কোক্ৰাঝাৰ আৰু চিৰাং জিলা আজিৰ তাৰিখত গাঁওবুঢ়াশূন্য হৈ আছে। তথ্য অনুসৰি ৩,৭৮৬ বৰ্গ কিলোমিটাৰ এলেকাৰ কাছাৰ জিলাৰ ১৬৩খন গাঁও পঞ্চায়তৰ মুঠ ১,০৫১খন ৰাজহ গাঁৱত, ১,৩২৭বৰ্গ কিলোমিটাৰ এলেকাৰ কৰিমগঞ্জ জিলাৰ ৬২খন গাঁও পঞ্চায়তৰ ৩৩১খন ৰাজহ গাঁৱত, ১,৮০৯ বৰ্গ কিলোমিটাৰ এলেকাৰ হাইলাকান্দি জিলাৰ ৯৬খন পঞ্চায়তৰ ৯৪০খন গাঁৱত নাই এজনো গাঁওবুঢ়া। একেদৰে ১,৮২৪ বৰ্গ কিলোমিটাৰ এলেকাৰ গোৱালপাৰা জিলাৰ ৮১খন গাঁও পঞ্চায়তৰ ৮১৭খন ৰাজহ গাঁও, ২,৭৯৭.৭৮ বৰ্গ কিলোমিটাৰ এলেকাৰ ধুবুৰী জিলাৰ ১৭২খন গাঁও পঞ্চায়তৰ ১,৩৩৩খন ৰাজহ গাঁও আৰু ৩,১৬৯.২২ বৰ্গ কিলোমিটাৰ এলেকাৰ ৮৮খন গাঁও পঞ্চায়তৰ ৯৭৩খন ৰাজহ গাঁৱত সম্পূৰ্ণৰূপে এজনো গাঁওবুঢ়া নাই। উল্লেখ্য, একোখন গাঁও পঞ্চায়তৰ অধীনস্থ একোজন নিযুক্তিপ্ৰাপ্ত গাঁওবুঢ়াৰ এক বিশেষ দায়িত্ব থাকে। চৰকাৰী আঁচনি ৰূপায়ণ, নাগৰিক চিনাক্তকৰণ, হিতাধিকাৰী বাছনি আদিৰ ক্ষেত্ৰত গাঁওবুঢ়াৰ বিশেষ ভূমিকা থাকে। এনে পৰিস্থিতিত ৭খন জিলাৰ ১০,৪৯২খন ৰাজহ গাঁৱৰ বাসিন্দাই গাঁওবুঢ়াৰ অভাৱতে বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া পৰিছে। গাঁৱত কোনো লোকৰ মৃত্যু হ'লে বা সন্তান জন্ম হ'লে গাঁওবুঢ়াৰ লিখাৰ ওপৰত ভিত্তি কৰিয়েই চৰকাৰী প্ৰমাণ-পত্ৰ পাব পাৰি। গুৰুত্বপূৰ্ণ কথা হ'ল ২০১৬ চনৰ জানুৱাৰীত ৰাষ্ট্ৰীয় নাগাৰিকপঞ্জী উন্নীতকৰণৰ কাম সম্পন্ন কৰাৰ নিৰ্দেশ দিছে উচ্চতম ন্যায়ালয়ে। ১৯৫১ চনৰ নাগৰিকপঞ্জী আৰু ভোটাৰ তালিকাৰ বিসংগতি, এন আৰ চি উপলব্ধ নোহোৱা এলেকাত মুখ্যতঃ গাঁওবুঢ়াই প্ৰমাণ-পত্ৰ দিলেই সংশ্লিষ্ট ব্যক্তিজনে তাক দাখিল কৰিব পাৰে। ইয়ে বৈধ প্ৰমাণ-পত্ৰ হিচাপে চিহ্নিত হয়। মহিলাৰ বিয়া হোৱাৰ পিছত গাঁওবুঢ়াই দিয়া প্ৰমাণ-পত্ৰই সম্পৰ্কৰ ক্ষেত্ৰত বৈধ প্ৰমাণ-পত্ৰ হিচাপে স্বীকৃতি পায়। উল্লেখ্য, মুঠ ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ এলেকাৰ ৰাজ্যখনৰ ২১৯টা উন্নয়ন খণ্ডৰ অধীনৰ ২,৪৮৯খন গাঁও পঞ্চায়তত মুঠ ২৬,২৪৭খন ৰাজহ গাঁও আছে। অথচ দীৰ্ঘদিন ধৰি ৰাজ্য চৰকাৰে নিযুক্তি নিদিয়াকৈয়ে খালী কৰি ৰাখিছে বৃহৎসংখ্যক গাঁওবুঢ়াৰ পদ।